BIKALI COLLEGE LIBRARY

*Total number of printed pages–4*

**4 (Sem–2) FASM–I**

**2022**

**ASSAMESE**

Paper : 201

***( Functional MIL–I )***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। উত্তৰ দিয়া ঃ ১×৫=৫

(ক) শকুন্তলা পাঠটিৰ মূল লেখকজনৰ নাম লিখা।

(খ) অহিংসাৰ প্ৰতীক কি?

(গ) কেনে ব্যক্তিক গণতান্ত্ৰিক স্বাধীনতা দিয়া উচিত নহয়?

(ঘ) শকুন্তলা কাৰ আশ্ৰমত ডাঙৰ-দীঘল হৈছিল?

(ঙ) ‘ইৰটিক’ শব্দটো ক’ৰ পৰা আহিছে?

BIKALI COLLEGE LIBRARY

২। অতি চমুকৈ উত্তৰ দিয়া ঃ ২×৫=১০

(ক) প্ৰবৃত্তি কেইপ্ৰকাৰৰ আৰু কি কি?

(খ) "ভো ভো ৰাজন্, আশ্ৰম মৃগোঽয়ং ন হন্তব্যো ন হন্তব্যঃ।" কথাষাৰৰ অৰ্থ কি?

(গ) পি.ই.এন.এ.-ৰ উদ্দেশ্য কি? বুজাই লিখা।

(ঘ) 'শিক্ষা আৰু বৰ্তমানৰ অভাৱ-অভিযোগ' শীৰ্ষক পাঠটি লেখকে কেতিয়া আৰু ক'ত দিয়া ভাষণৰ পৰা লোৱা হৈছে?

(ঙ) 'শকুন্তলা' পাঠটিত উল্লেখ থকা শকুন্তলাৰ সখীয়েক দুগৰাকীৰ নাম লিখা।

৩। চমুকৈ উত্তৰ দিয়া ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) "দিল্লী কেৱল যে ঐতিহাসিক সুঁতিকেইটাৰেই সঙ্গমস্থান এনে নহয়, বৰং বিভিন্ন অঞ্চলৰপৰা অহা লোকসকলৰো মিলনক্ষেত্ৰ।" কথাষাৰ পাঠটিৰ আধাৰত বিশ্লেষণ কৰা।

(খ) "এতিয়া প্ৰথম আৰু জৰুৰী ব্যৱস্থা হৈছে আমাৰ ঐতিহাসিক পৰম্পৰাকেইটাৰ মাজত ঐক্য স্থাপন কৰা।" কথাষাৰ পাঠটিৰ আধাৰত বিশ্লেষণ কৰা।

(গ) 'শকুন্তলা' পাঠটিত প্ৰকৃতিৰ সৈতে শকুন্তলাৰ সম্পৰ্কক লেখকে কেনেদৰে উপস্থাপন কৰিছে আলোচনা কৰা।

BIKALI COLLEGE LIBRARY

(ঘ) "টেম্পেষ্ট নাটকৰ নামো যেনে, তাৰ ভিতৰৰ কথাও তেনেই।" কথাষাৰ পাঠটিৰ আধাৰত আলোচনা কৰা।

(ঙ) "ভাৰতীয় দৰ্শনৰ মতে, মানুহৰ মন সৎ আৰু অসতৰ চিৰকলীয়া বনভূমি।" পাঠৰ আধাৰত কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰা।

(চ) "এই মন্দিৰ পঞ্চলিঙ্গৰে একোটাকৈ প্ৰতীকৰ নামত উৎসৰ্গা কৰা হৈছে।" কথাষাৰ প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা।

৪। *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০

(ক) "বাস্তৱিকতে, ই বুৰঞ্জীৰ পৰিহাস যে আমাৰ নিজ দেশৰ সাহিত্য আছিল ওপৰঞ্চি বিষয় অথচ ইংলণ্ডৰ সাহিত্য আছিল বাধ্যতামূলক।" 'শিক্ষা আৰু বৰ্তমানৰ অভাৱ-অভিযোগ' শীৰ্ষক পাঠটিৰ আধাৰত কথাষাৰৰ যুক্তিযুক্ততা সম্পৰ্কে বহলাই আলোচনা কৰা।

(খ) "বিশ্ব-প্ৰকৃতি যেনেকৈ বাহিৰত প্ৰশান্ত, সুন্দৰ, কিন্তু তাৰ প্ৰচণ্ড শক্তিয়ে অহৰহ অন্তৰত কাম কৰে, শকুন্তলা নাটকখনিত আমি তাৰ প্ৰতিৰূপ দেখিবলৈ পাঁও!" 'শকুন্তলা' প্ৰবন্ধটিৰ আধাৰত কালিদাসৰ 'অভিজ্ঞানম শকুন্তলম'-ৰ এক বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা।

৫। বাণিজ্যিক বিজ্ঞাপন বুলিলে কি বুজা? বাণিজ্যিক বিজ্ঞাপনৰ প্ৰচাৰ পদ্ধতি আৰু উপস্থাপন কৌশল সম্পৰ্কে আলোচনা কৰা। ৰুচিসন্মত বিজ্ঞাপন আৰু ৰুচিবিগৰ্হিত বিজ্ঞাপনৰ দুটাকৈ বিশেষত্ব লিখা। ২+৪+(২+২)=১০

BIKALI COLLEGE LIBRARY

৬। তলত দিয়া নিৰ্দেশ অনুসৰি *যিকোনো এখন* পত্ৰ লিখা। (পত্ৰত তোমাৰ নাম, ঠিকনা ব্যৱহাৰ নকৰি কমল বৰা, নগাঁও, অসম-২ এই ঠিকনা লিখিবা।) ১০

(ক) তোমাৰ অঞ্চলত বিজুলী যোগান অনিয়মীয়া হোৱাৰ সমস্যায়ে দেখা দিছে। এই ক্ষেত্ৰত বিহিত ব্যৱস্থা লব'লৈ ৰাজ্যৰ বিদ্যুৎ বিভাগক অনুৰোধ জনাই ৰাজ্যিক পৰ্যায়ৰ *যিকোনো এখন* বাতৰিকাকতৰ সম্পাদকলৈ এখন চিঠি লিখা।

(খ) নগাঁও জি.এন.ডি.জি বাণিজ্য মহাবিদ্যালয়ৰ পৰিসংখ্যা বিভাগত এটি সহকাৰী অধ্যাপকৰ পদৰ বাবে বিজ্ঞাপন প্ৰকাশিত হৈছে। এই পদৰ প্ৰাৰ্থী হিচাপে উক্ত মহাবিদ্যালয়ৰ অধ্যক্ষলৈ প্ৰপত্ৰৰ আৰ্হিত এখন আবেদন পত্ৰ লিখা।

৭। তলত দিয়া *যিকোনো এটা* বিষয়লৈ এখন ৰচনা লিখা ঃ ১৫

(ক) অসমৰ অৰ্থনীতিত কুটীৰ শিল্পৰ ভূমিকা

(খ) সাম্প্ৰতিক কালত বাণিজ্য শিক্ষাৰ প্ৰসাৰ আৰু গুৰুত্ব

(গ) অসমৰ নিবনুৱা সমস্যা আৰু ইয়াৰ সমাধানৰ উপায়

(ঘ) বাণিজ্যত বিশ্বায়নৰ (Globalisation) ভূমিকা

---